# আদৰ্শ

# অসমীয়া হস্তলিপি-২

## দ্বিতীয় শ্ৰেণী

গ্ৰহিলচ্

# আদৰ্শ অসমীয়া হস্তলিপি-২

## দ্বিতীয় শ্ৰেণীৰ বাবে

প্ৰস্তুতকৰ্তা
গ্ৰুহিলচ্  পাব্লিশ্বিং লিখক সমিতি

গ্ৰুহিলচ্ পাব্লিশ্বিং
কমলপুৰ, বৰপেটা (অসম)

# আদৰ্শ অসমীয়া হস্তলিপি -২

## দ্বিতীয় শ্ৰেণীৰ বাবে

সৰ্বস্বত্ব প্ৰকাশকৰ দ্বাৰা সংৰক্ষিত

প্ৰকাশক
গ্ৰুহিলচ্ পাব্লিশ্বিং
কমলপুৰ বৰপেটা (অসম)

ডি. টি. পি.
গ্ৰুহিলচ্ ডি. টি. পি. অপাৰেটৰ্চ

মূল্য: ............../- মাত্ৰ।

# আগকথা

## ১

কলম বা পেঞ্চিলৰ সহায়ত হাতেৰে লিখা আখৰেই হাতৰ আখৰ। হাতৰ আখৰ হৈছে শিক্ষাৰ এক অবিচ্ছেদ্য অংগ। হাতৰ আখৰ নিশিকাকৈ কোনোৱে প্ৰকৃত অৰ্থত শিক্ষিত বুলি দাবী কৰিব নোৱাৰে। পৃথিৱীত বৰ্তি থকা সৰহভাগ ভাষাৰ ছপা আখৰ আৰু হাতে লিখা আখৰৰ শৈলীৰ মাজত কিছু পাৰ্থক্য দেখা যায়। হাতৰ আখৰ ভাল হোৱা উচিত। মহাত্মা গান্ধীয়ে হাতৰ আখৰক শিক্ষাৰ এক প্ৰধান অংগ বুলি স্বীকাৰ কৰি নিজৰ বেয়া হাতৰ আখৰৰ বাবে আজীৱন শোক কৰিছিল। ভাল হাতৰ আখৰৰ বিশেষ গুৰুত্ব আৰু তাৎপৰ্য আছে। যেনে ঃ

প্ৰথমতে, হাতৰ আখৰ ভাল হ'লে শিক্ষণ কাৰ্যত মনোযোগ আৰু আগ্ৰহ বৃদ্ধি পায়।

দ্বিতীয়তে, ভাল হাতৰ আখৰে বোধশক্তি আৰু স্মৃতি শক্তি বৃদ্ধি কৰে।

তৃতীয়তে, ভাল হাতৰ আখৰে এজন ব্যক্তিৰ ব্যক্তিত্ব গঠনত ইতিবাচক প্ৰভাৱ পেলায়।

চতুৰ্থতে, ভাল হাতৰ আখৰৰ অধিকাৰী ছাত্ৰ বা ছাত্ৰী এজনে অতি সোনকালে শিক্ষকৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰে।

পঞ্চমতে, হীনমন্যতাবোধত ভুগি থকা ছাত্ৰ এজনে ভাল হাতৰ আখৰৰ অধিকাৰী হ'লে হীনমন্যতাবোধ ৰোগৰ পৰা প্ৰতিকাৰ পাব পাৰে।

ষষ্ঠতে, ভাল হাতৰ আখৰে মানসিক সন্তুষ্টি প্ৰদান কৰে।

সেয়ে ভাল হাতৰ আখৰৰ গুৰত্ব অনুধাৱন কৰি ইয়াক শিক্ষাৰ কী-বোৰ্ড বুলি ক'ব পাৰি।

ইয়াতে বিশেষ লক্ষণীয় যে হাতৰ আখৰ ব্যক্তি ভেদে ভিন ভিন শৈলীৰ হয়। আজিকালি কম্পিউটাৰত আখৰৰ বহুত শৈলী পোৱা যায় যদিও সকলোবোৰ শৈলী আদৰ্শ শৈলী বুলি আমি ক'ব নোৱাৰোঁ। কিন্তু আমি যি শৈলী অনুসৰণ নকৰোঁ কিয়, হাতৰ আখৰ ভাল হোৱা উচিত। হাতৰ আখৰ ভাল কৰাৰ বাবে বহুত অনুশীলনৰ প্ৰয়োজন যদিও ভাল হাতৰ আখৰৰ কিছুমান বৈশিষ্ট্য আছে। যেনে ঃ

প্ৰথমতে, হাতেৰে লিখাৰ সময়ত এটা শব্দৰ ভিতৰত থকা আটাইবোৰ বৰ্ণ সংলগ্ন থাকিব লাগে।

দ্বিতীয়তে, হাতৰ আখৰ পোন বা সোঁফালে সামান্য হেলনীয়া হ'ব লাগে। বাওঁপিনে হেলনীয়া হোৱা উচিত নহয়।

তৃতীয়তে, হাতৰ আখৰ অতি সৰু বা অতি ডাঙৰ হ'ব নালাগে।

চতুৰ্থতে, হাতৰ আখৰ সদায় এটা শৈলীত লিখিব লাগে।

ইয়াৰ উপৰিও হাতৰ আখৰ অনুশীলন কৰাৰ সময়ত তলত উল্লেখ কৰা দিশবোৰ মানি চলা উচিত।

প্ৰথমতে, শিকাৰু এজনে তেওঁৰ ভাল লগা আৰু সহজ যেন লগা এটি আৰ্হি অনুকৰণ কৰিব লাগে।

দ্বিতীয়তে, প্ৰাথমিক স্তৰত ছাত্ৰ-ছাত্ৰীসকলে বা যিকোনো শিকাৰুৱে কাঠ পেঞ্চিল বা ফাউণ্টেইন পেন (নিব থকা কলম) ব্যৱহাৰ কৰিব লাগে। কেতিয়াও বল (ডট) পেন ব্যৱহাৰ কৰিব নালাগে।

তৃতীয়তে, অনুশীলনৰ সময়ত চাৰি-আঁচ বিশিষ্ট বহী ব্যৱহাৰ কৰিব লাগে।

চতুৰ্থতে, হাতৰ আখৰ অভ্যাস কৰোঁতে শিকাৰু এজনে চিয়াৰত বহি টেবিলৰ ওপৰত বহী থৈ আৰ্হি চাই অনুশীলন কৰিব লাগে। কেতিয়াও বিচনাৰ ওপৰত বহি তপিনাত ভৰ দি অনুশীলন কৰিব নালাগে।

পঞ্চমতে, টেবিলৰ উচ্চতা ছাত্ৰজনৰ বুকুলৈকে হ'ব লাগে।

ষষ্ঠতে, পোহৰ ছাত্ৰজনৰ বাওঁপিনৰ পৰা পৰিবলৈ দিব লাগে।

সপ্তমতে, ছাত্ৰজনে ব্যৱহাৰ কৰা টেবিলখন পৰিপাটি হোৱাৰ লগতে মুকলি স্থান থাকিব লাগে। কিতাপ-পত্ৰৰে ঠাহ খাই থকা হ'ব নালাগে।

অষ্টমতে, ছাত্ৰজনে প্ৰত্যেক দিনেই হাতৰ আখৰ অনুশীলন কৰিব লাগে।

নৱমতে, ছাত্ৰজনে হাতৰ আখৰ অনুশীলন কৰাৰ সময়ত কেতিয়াও ততাতৈয়া কৰিব নালাগে।

দশমতে, ছাত্ৰজনে ধৈৰ্য ধৰি একেলেথাৰিয়ে বহুত দিন হাতৰ আখৰ অভ্যাস কৰিব লাগে।

## ২

**আদৰ্শ অসমীয়া হস্তলিপি- ২** নামৰ অভ্যাস পুথিখন দ্বিতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰস্তুত কৰা হৈছে। এই অভ্যাস পুথিখনত ছাত্ৰ-ছাত্ৰীসকলে দ্বিতীয় শ্ৰেণীত পোৱা নতুন শব্দবোৰ দিয়া হৈছে যাতে হাতৰ আখৰ অভ্যাস কৰাৰ লগে লগে এই শ্ৰেণীত পোৱা নতুন শব্দ আৰু সেইবোৰৰ বানানৰ লগতো পৰিচয় হয়। গতিকে এই অভ্যাস পুথিখন অসমীয়া বিষয়ৰ পৰিপূৰক পুথি হিচাপে গ্ৰহণ কৰা অৱশ্যই প্ৰয়োজন। হাতৰ আখৰ শিকাওঁতে শিক্ষক / শিক্ষয়িত্ৰীয়ে এটা বৰ্ণ কেইবাবাৰো ডাঙৰ ডাঙৰকৈ ব্লাকবোৰ্ডত লিখি বৰ্ণটো লিখোতে ক'ৰ পৰা আৰম্ভ কৰিব লাগে, কোনটো পাক বা চুক আগতে লিখিব লাগে আদি দিশ স্পষ্টকৈ বুজাই দিব লাগে। পিছত ছাত্ৰ-ছাত্ৰীক কেইবাবাৰো অনুশীলন কৰিবলৈ দিব লাগে। ভাল হাতৰ আখৰৰ তাৎপৰ্যৰ বিষয়ে প্ৰেৰণাদায়ক আলোচনাৰে ছাত্ৰ-ছাত্ৰীক ভাল হাতৰ আখৰৰ অধিকাৰী হ'বলৈ উৎসাহিত কৰিব লাগে।

শেষত শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক-অভিভাৱিকা তথা শিক্ষাবিদসকলৰ পৰা গঠনমূলক দিহাপৰামৰ্শ প্ৰত্যাশা কৰিলোঁ।

কমলপুৰ, বৰপেটা
চেপ্তেম্বৰ, ২০১৬

**প্ৰকাশক**
**গ্ৰুহিলচ্ পাব্লিশ্বিং**

বাক্য কাম্য ঐক্য গদ্য গণ্য পণ্য

পূণ্য দৈন্য মান্য সাখ্য নব্য খ্যাতি

জ্যোতি ত্যাগ ধ্যান ন্যায় ব্যয় ৰম্য

ৰাজ্য ব্যোম ব্যাখ্যা অভ্যাস যোগ্যতা

জ্যোতিষ সুখ্যাতি কুখ্যাতি বৈশ্য দৃশ্য

অৱশ্যে শিষ্য বিশেষ্য পাৰস্য বাহ্যিক

শস্য সহ্য বাহ্য ৰহস্য পুষ্য সাক্ষ্য

তৰ্ক মূৰ্খ পূৰ্ণ গৰ্গ মাৰ্গ অৰ্ঘ

গৰ্ব সৰ্প তীৰ্থ আৰ্চি মৰ্ত দীৰ্ঘ

শীৰ্ষ শৰ্মা বৰ্ষ হৰ্ষ ধৰ্ম সতীৰ্থ

নিৰ্ভৰ প্ৰাৰ্থনা অৰ্জন বৰ্জন আৰ্থিক প্ৰথম

নম্ৰ ভদ্ৰ ব্যগ্ৰ প্ৰাচ্য ব্যাঘ্ৰ বিগ্ৰহ

বক্র চক্র সত্র পত্র মিত্র অভ্র

ছত্র শুভ্র ভ্ৰাম্য ছাত্র ক্ৰীম ভ্ৰমৰ

ত্ৰিপদ চক্ৰধৰ ত্ৰিপক্ষ ত্ৰিনয়ন ত্ৰিপাঠী

ত্ৰুটি দ্ৰুম ধ্ৰুপদী শ্ৰুতি শ্ৰোতা বিদ্ৰূপ

ডিব্ৰুগড় শুশ্ৰূষা ভ্ৰূকুটি বিভিন্ন পান্না

অগ্নি ভগ্নী ঋগ্ন ভগ্ন কৃতঘ্ন ৰত্ন

যত্ন প্ৰত্ন অন্ন অভিন্ন কিন্নৰ অপৰাহ্ন

নিম্ন প্ৰশ্ন জ্যোৎস্না স্নান আহ্নিক

মক্কা পক্ক উচ্চ ঠাট্টা লজ্জা সজ্জা

আড্ডা বিষণ্ণ খদ্দৰ হৰপ্পা তিৰ্ব্বত মত্ত

পৰ্বত উত্তৰ উত্তাপ পল্লৱ দিল্লী মল্ল

ব্যস্ত ন্যস্ত বস্তা সস্তা স্পৰ্শ স্নায়ু

স্পষ্ট স্পিৰিট স্ফটিক পুৰস্কাৰ নমস্কাৰ

স্নেহ স্নান স্নানাগাৰ সৰস্বতী স্বৰবৰ্ণ

অস্থি স্থিতি স্থান স্বৰ্গ স্বকীয় উপস্থিত

স্কুল বস্তু স্ফূৰ্তি কস্তুৰী স্ফুলিঙ্গ

শাস্ত্ৰ বস্ত্ৰ অস্ত্ৰ স্পৃহা নিস্পৃহ ইস্পাত

বন্ধ অন্ধ গোন্ধ মুগ্ধ দুগ্ধ যুদ্ধ পোন্ধৰ

বুদ্ধ শুদ্ধ শ্রদ্ধা বুদ্ধি লব্ধ প্রলুব্ধ

ক্ষুব্ধ কুঞ্জ বুৰঞ্জী পাঞ্জা আঞ্জা পঞ্চ

চঞ্চল অঞ্চল বাঞ্ছা বাঞ্ছনীয় বিজ্ঞান

অজ্ঞ প্রজ্ঞা বিজ্ঞ কষ্ট নষ্ট অষ্টম

হৃষ্ট পুষ্ট ষষ্ঠ ঔষ্ঠ পুষ্ঠ মুষ্ঠি

কৃষ্ণ বিষ্ণু সহিষ্ণু তৃষ্ণা কনিষ্ক পুষ্প

বাষ্প পুষ্প ৰাষ্ট্ৰ ৰাষ্ট্ৰপতি স্বয়ম্ভু ঈশ্বৰ

কল্যাণ ভাস্বৰ উদ্যোগ আত্মীয় নিঃস্ব

গৌৰৱ আনন্দ সঞ্চয় সমন্বয় বিদ্যুৎ

সদ্ভাৱ অশিষ্ট সম্রাট জন্মাষ্টমী অঙ্গৰাজ্য

ঋদ্ধ অৱৰুদ্ধ বন্ধা প্ৰতিষ্ঠা প্ৰীতি

অৰ্থদণ্ড নিমজ্জিত শিক্ষয়িত্ৰী অপব্যয়

আয় চাই ব্যয় কৰিব লাগে।

ধৰ্মই সৰল পথ দেখুৱায়।

কাকো হিংসা কৰিব নালাগে।

স্বৰ্গৰ গায়কক কিন্নৰ বোলে।

পল্লৱ মানে কুঁহিপাত।

অগ্নিৰ পৰা স্ফূলিঙ্গ ওলায়।

পোন্ধৰ দিনত এক পক্ষ হয়।

কুঞ্জবন মানে বাগিছা।

আমাৰ দেশৰ নাম ভাৰতবৰ্ষ।

দুষ্টালিৰ পৰিণাম সদায় বেয়া।

সঞ্চয় কৰা ভাল অভ্যাস।

বিহু অসমীয়াৰ জাতীয় উৎসৱ।

দুৰ্গা পূজা সৰ্বভাৰতীয় উৎসৱ।

হাতৰ আখৰ শিক্ষাৰ এক অবিচ্ছেদ্য অংগ।